ইণ্টাৰনেটত 'দৈনিক অসম' http://dainik.assamtribune.com

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

৩ | নগাঁৱৰ নগৰাকী নৃত্য শিল্পীৰ সাফল্য
ছ'চিয়েল মিডিয়াৰপৰা আঁতৰত কাজল | ১০

৫৮
বছৰীয়া ঐতিহ্য
১৯৬৫-২০২২

অগপৰ বিশেষ কৰ্মকৰ্তা সন্মিলন | ৭
১২ | টেষ্ট ক্ৰিকেটত ৰাহানেৰ ৫,০০০ ৰান

৩০১ সংখ্যা, ২৬ জেঠ, শনিবাৰ, ১৯৪৫ শক । DAINIK ASAM : Assamese Daily । VOL. 58 NO. 301 । DIBRUGARH, SATURDAY, JUNE 10, 2023 । পৃষ্ঠা ১২ (Pages 12)

বৈধসন্মত কৰাৰ বাবে অসম লোকসেৱা অধিকাৰ (সংশোধনী) অধ্যাদেশত অনুমোদন দিছে ৰাজ্যিক কেবিনেটে। পৰ্যটনমন্ত্ৰী জয়ন্তমল্ল বৰুৱাই আজি সন্ধিয়া অনুষ্ঠিত কেবিনেটৰ ৬ পৃষ্ঠাত চাওক



ছাত্ৰ সন্থাৰ সভাপতি সঞ্জাৱ দাসে কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জয়ৰামপুৰ পাণবাৰীৰ হিংসাত্মক ঘটনাৰ ৬ পৃষ্ঠাত চাওক

## ধুবুৰী কাণ্ডৰ তদন্তৰ বিশেষ নিৰ্দেশ ডি জি পিক

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ৯ জুন ঃ অভিযুক্তৰ সন্ধান উলিয়াব নোৱাৰি ধুবুৰী আৰক্ষীয়ে পুৱতি নিশা শিশুসহ মহিলাক আটক কৰি আনি বন্দী কৰি ৰখা বেআইনী কাণ্ডৰ বিৰুদ্ধে গৌহাটী উচ্চ ন্যায়ালয়ে তদন্তৰ নিৰ্দেশ দিছে। যোৱা ২৫ মে'ত সংঘটিত এই কাণ্ডত জড়িত ধুবুৰী জিলাৰ সংশ্লিষ্ট আৰক্ষী বিষয়াসকলৰ বিৰুদ্ধে কৰিবলগীয়া এই তদন্তৰ দায়িত্ব জিলাখনৰ ধুবুৰীয়া এখন জিলাৰ ৬ পৃষ্ঠাত চাওক

'সমৰ্থ' প'ৰ্টেলৰ জৰিয়তে হ'ব স্নাতকৰ নামভৰ্তি

## আসনক লৈ সমস্যা নাই

দৈনিক অসমৰ বাতৰি

গুৱাহাটী, ৯ জুন ঃ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত এইবাৰ উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ নামভৰ্তিত আসনক লৈ অসুবিধা নহয় বুলি মন্তব্য কৰিছে অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ সচিব পুলক পাটগিৰি আৰু উচ্চ শিক্ষা বিভাগৰ সঞ্চালক ধৰ্মকান্ত মিলিয়ে। উল্লেখ্য যে এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৩.০১ লাখজনে আৰু উচ্চতৰ মাধ্যমিকত ২.৩৮ লাখ শিক্ষাৰ্থী উত্তীৰ্ণ হৈছে। সচিব পাটগিৰিয়ে কয় যে এইবাৰ উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীতকৈ পূৰ্বে অধিক সংখ্যকে ৰাজ্যৰ শিক্ষানুষ্ঠানত নামভৰ্তি কৰিছিল। এইবাৰ সংখ্যা কম বাবেও সমস্যা নহয়। আনহাতে, চৰকাৰে শিক্ষানুষ্ঠান খুলিবলৈ অনুমতি দিলে আমি একাডেমিক অনুমতি দি দিওঁ। ৬ পৃষ্ঠাত চাওক

## কানৈ কলেজত প্ৰৱৰ্তন কৰিব ক্ৰীড়া পাঠ্যক্ৰম

### প্ৰস্তাৱিত ক্ৰীড়া বিশ্ববিঃৰ স্থানত ৰাজ্যপাল



নিজা বাতৰি দিওঁতা

টিংখাং, ৯ জুন ঃ ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াই আজি ডিব্ৰুগড় ভ্ৰমণলৈ আহোতে আকস্মিকভাৱে চহৰখনৰ ডিব্ৰুগড় হনুমানবক্স সূৰযমকল কানৈ মহাবিদ্যালয়ত উপস্থিত হয়। পূৰ্ব ৬ পৃষ্ঠাত চাওক

# কানৈ কলেজত প্ৰৱৰ্তন কৰিব ক্ৰীড়া

প্ৰস্তুতি অবিহনে অতি কম সময়ৰ ভিতৰতে মহাবিদ্যালয়খনৰ মুখ্যদ্বাৰৰপৰা গায়ন-বায়ন, এন চি চিৰ কেডেটে অধ্যক্ষৰ সভাকক্ষলৈ আদৰণি জনাই অনাৰ পাছত ৰাজ্যপালগৰাকীক অধ্যক্ষ ডং শশীকান্ত শইকীয়াই ফুলাম গামোচা, চেলেং চাদৰ আৰু সম্বৰ্দ্ধনা পত্ৰৰে সৌহাৰ্দ্যপূৰ্ণ আদৰণি জনায়। কানৈ মহাবিদ্যালয়ৰ অধ্যাপিকা ডং তৃষ্ণা দুৱৰা কলিতাই আঁত ধৰা অনুষ্ঠানত ৰাজ্যপালগৰাকীয়ে কয়, কানৈ মহাবিদ্যালয়ে আজি যি সন্মান দিলে, সেয়া তেওঁ কেতিয়াও পাহৰিব নোৱাৰে আৰু সেই স্মৃতি তেওঁৰ মনৰ মণিকোঠাত চিৰদিন সজীৱ হৈ থাকিব। ৰাজ্যপালগৰাকীয়ে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডং শশীকান্ত শইকীয়াক ধন্যবাদ জ্ঞাপন কৰি কয় যে মহাবিদ্যালয় পৰিয়ালে আজি মোক যিদৰে সন্মান আৰু শ্ৰদ্ধা দিলে তাৰ বিনিময়ত মই মহাবিদ্যালয়খনকো কিছু দিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হ'লো। শ্ৰীশ্ৰীঅনিৰুদ্ধ দেৱ ক্ৰীড়া বিশ্ববিদ্যালয় আৰু কানৈ মহাবিদ্যালয়ৰ মাজত হোৱা বুজাবুজিৰ চুক্তি মৰ্মে শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমসমূহ কানৈ মহাবিদ্যালয়তো প্ৰৱৰ্তন কৰিব। সেয়ে ৰাজ্যপালগৰাকীয়ে মহাবিদ্যালয়খনৰ খেলপথাৰকে ধৰি অন্যান্য আন্তঃগাঁথনি উন্নয়নৰ বাবে ডিব্ৰুগড় জিলা উপায়ুক্তক পৰামৰ্শ দিয়ে। ৰাজ্যপালগৰাকীয়ে মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি পৰিদৰ্শন কৰি সন্তুষ্টি প্ৰকাশ কৰে। ৰাজ্যপালগৰাকীয়ে লগতে কয়— 'শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ আন্তঃগাঁথনিকে ধৰি অন্যান্য কাম-কাজ সম্পূৰ্ণ নোহোৱালৈকে কানৈ মহাবিদ্যালয়তে বিশ্ববিদ্যালয়খনৰ পাঠদানকে ধৰি অন্যান্য যাৱতীয় কাম-কাজ চলি থাকিব। মহাবিদ্যালয়ৰ অধ্যক্ষ ডং শশীকান্ত শইকীয়াই আদৰণী ভাষণত কয়— 'আজিৰ এই দিনটো কানৈ মহাবিদ্যালয়ৰ বাবে এক ঐতিহাসিক দিন। এগৰাকী ৰাজ্যপাল হঠাৎ আহি মহাবিদ্যালয়ত উপস্থিত হোৱা এই দিনটো চিৰদিন স্মৃতি হৈ ৰ'ব। মহাবিদ্যালয়ৰ অধ্যক্ষৰ সভাকক্ষত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ সভাখনত শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য জে পি বাৰ্মাই কয়— 'শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয় আৰু কানৈ মহাবিদ্যালয়ৰ মাজত দীৰ্ঘদিনৰেপৰা এক সু-সম্পৰ্ক আছে। এই সম্পৰ্ক অধিক কটকটীয়া কৰাৰ বাবে দুয়োটা অনুষ্ঠানে ভৱিষ্যতে সহযোগিতাৰ মাধ্যমেৰে কাম কৰি যাব।' অনুষ্ঠানত ডিব্ৰুগড় জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগু, শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পাৰ্থ প্ৰতিম বৈৰাগী, ডিব্ৰুগড় জিলাৰ আৰক্ষী অধীক্ষক শ্বেতাংক মিশ্ৰ, অতিৰিক্ত আৰক্ষী অধীক্ষক বিতুল চেতিয়া উপস্থিত থাকে। উল্লেখ্য যে পুৱা ডিব্ৰুগড় বিমান ঘাটিৰ সভাকক্ষত অনুষ্ঠিত আন এখন সভাত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডং শশীকান্ত শইকীয়া আৰু উপাধ্যক্ষ ডং প্ৰিয়দেৱ গোস্বামীয়ে ৰাজ্যপালগৰাকীক ফুলাম গামোচা, চেলেং চাদৰ আৰু কিতাপৰ টোপোলাৰে আদৰণি জনায়।

আনহাতে, ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়াই আজি ডিব্ৰুগড় জিলাৰ চাবুৱাৰ বালিজানৰ শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ প্ৰকল্পটোৰ স্থানত উপস্থিত হৈ পৰিদৰ্শন কৰে আৰু নিৰ্মাণ কাৰ্যৰ বুজ লয়। ইয়াৰ পূৰ্বে ৰাজ্যপালগৰাকীয়ে মোহনবাৰী বিমান বন্দৰৰ সভাকক্ষত বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য, ৰাজ্য চৰকাৰ আৰু জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত ৰাজ্যপালগৰাকীয়ে অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়খনৰ নিৰ্মাণ কাৰ্য ক্ষিপ্ৰতৰ কৰিবলৈ নিৰ্দেশ দিয়ে। বৈঠকত চাবুৱাৰ বিধায়ক পোনাকণ বৰুৱা, ৰাজ্য চৰকাৰৰ আয়ুক্ত আৰু সচিব মীনাক্ষি সুন্দৰম, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ আয়ুক্ত আৰু সচিব ফাৰুক আলম, জিলা উপায়ুক্ত বিশ্বজিৎ পেগু, আৰক্ষী অধীক্ষক শ্বেতাংক মিশ্ৰ, অতিৰিক্ত উপায়ুক্ত ডং মণিকা বৰা, শ্ৰীশ্ৰীঅনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য জে পি বৰ্মা, অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পাৰ্থ প্ৰতিম বৈৰাগী, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডং শশীকান্ত শইকীয়া, সহকাৰী কাৰ্যবাহী অভিযন্তা (পথ, গৃহ, ৰাষ্ট্ৰীয় ঘাইপথ) প্ৰমুখ্যে বিভাগীয় বিষয়াসকল উপস্থিত থাকে।

**নাহৰকটীয়াৰ নিজা বাতৰি দিওঁতা ঃ** উজনি অসমৰ পৰ্যটনৰ প্ৰাণকেন্দ্ৰ তথা টাই জনগোষ্ঠীৰ ফাকেসকলৰ বসতিস্থল নামফাকে গাঁও পৰিদৰ্শনৰ উদ্দেশ্যেৰে আজি নাহৰকটীয়াত আহি উপস্থিত হয় অসমৰ ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়া। ৰাজ্যপালগৰাকীয়ে গাঁওখনত প্ৰৱেশ কৰি জনগোষ্ঠীটোৰ লোকাচাৰ দেখি অভিভূত হোৱাৰ লগতে মন্দিৰত উপস্থিত স্থানীয় লোকসকলক উদ্দেশ্যি কয়, 'আজি পৰ্যন্ত সাজপাৰ, খাদ্যাভ্যাসৰ লগতে যিবোৰ লোকাচাৰ, পৰম্পৰা ধৰি ৰাখিছে, উঠি অহা প্ৰজন্মকো যাতে সেই জ্ঞান দি সেই দিশেৰে আগুৱাই নিয়ে।' লগতে তেওঁ ডিব্ৰুগড় জিলাৰ উপায়ুক্তক আৰু স্থানীয় বিধায়ক তৰংগ গগৈক গাঁওখনৰ বাবে তেওঁ কৰিব পৰা কিবা থাকিলে জনাবলৈ অনুৰোধ জনায়। তাৰ পাছত তেওঁ নামৰূপৰ অসম পেট্ৰ'কেমিকেলছ লিমিটেডলৈ এখন বৈঠকৰ বাবে ৰাওনা হয়।

**দুলীয়াজানত অইলৰ কাম-কাজৰ বুজ ল'লে ৰাজ্যপাল কাটাৰিয়াই**

**দুলীয়াজানৰ নিজা বাতৰি দিওঁতা ঃ** এদিনীয়া কাৰ্যসূচীৰে ডিব্ৰুগড় জিলা ভ্ৰমণলৈ অহা ৰাজ্যপাল গুলাব চান্দ কাটাৰিয়া আজি সন্ধিয়া তৈলনগৰী দুলীয়াজানত উপস্থিত হয়। নাহৰকটীয়া সমষ্টিৰ নামফাকে বুদ্ধ মন্দিৰ আৰু নামৰূপৰ অসম পেট্ৰ'কেমিকেলছ লিমিটেড ভ্ৰমণৰ পাছত তেওঁ দুলীয়াজানত অইল ইণ্ডিয়া লিমিটেডৰ উচ্চপদস্থ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। অইলৰ গৱেষণা আৰু উন্নয়ন বিভাগৰ সভাকক্ষত অনুষ্ঠিত এই বৈঠকত প্ৰতিষ্ঠানটোৰ ভূতত্ত্ব বিভাগৰ বিষয়াসকলে অইল ইণ্ডিয়া লিমিটেডৰ খাৰুৱা তেলৰ অন্বেষণ আৰু উৎপাদনৰ বিষয়ে ৰাজ্যপালৰ আগত বিৱৰণ দাঙি ধৰে। অইলৰ মুখ্য আৱাসিক বিষয়া অতীন্দ্ৰ ৰয়চৌধুৰী, বেছিন কাৰ্যবাহী সঞ্চালক জে পি পি দাস, ইষ্টাৰ্ন এছেট কাৰ্যবাহী সঞ্চালক সঞ্জয় বাৰ্মা, জিঅ'লজিকেল বিভাগৰ মুখ্য মহাপ্ৰবন্ধক ত্ৰৈলোক্য বৰগোহাঞি, জিঅ' ফিজিক্স বিভাগৰ মহাপ্ৰবন্ধক অনুপ কুমাৰ এই বৈঠকত উপস্থিত থাকে।